بِسۡمِ اللّٰہِ الرَّحۡمٰنِ الرَّحِیۡمِ    نَحۡمَدُہٗ وَنُصَلِّیۡ عَلٰی رَسُوۡلِہِ الۡکَرِیۡمِ    وَعَلٰی عَبۡدِہِ الۡمَسِیۡحِ الۡمَوۡعُوۡد

# খোতবা জু'মা

**ছৈয়েদেনা হজৰত আকদছ আমিৰুল মোমিনিন খলিফাতুল মছিহ পঞ্চম (আইঃ) য়ে ২০১৬ চনৰ ১৭ জুন তাৰিখত লণ্ডনৰ বায়তুল ফুতুহ মছজিদত প্ৰদান কৰা জু'মাৰ খোতবাৰ সাৰাংশ।**

ৰমজান মাহত যিহেতু সকলোৰে মছজিদৰ ফালে বিশেষ মনযোগ থাকে, আল্লাহ তায়লাৰ কৃপাত সকলোৱে বা-জমাত নমাজ আদায় কৰাৰ প্ৰতিও মনযোগ দিয়ে সেই হেতুকে ইয়াৰ লগে-লগে নফল ইবাদতৰ প্ৰতিও মনযোগ দিয়া উচিত। আকৌ ধৰ্মক ইহঁ-জগতৰ মোহৰৰ ওপৰত প্ৰাধান্য দি আল্লাহ তায়লাৰ সান্নিধ্য লাভৰ বাবে দোৱা কৰাৰ সৈতে মগ্ন থকা উচিত আমালোকৰ দোৱাৰ প্ৰথম অৰ্ঘ্য এয়াই হোৱা উচিত আৰু বাকী পাৰ্থিব দোৱা সমূহ পিছত কৰিব লাগে। আমালোকৰ পাৰ্থিব প্ৰয়োজনীয়তাৰ বাবে কৰা দোৱা আল্লাহ তায়লা গ্ৰহণ কৰি সেয়া পূৰ্ণ কৰি দিয়ে।

তাছাহুদ, তাউয আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুযুৰ আনোৱাৰ (আইঃ) য়ে ছুৰা আল-বাকাৰৰ নিম্নোক্ত আয়াত পাঠ কৰি অনুবাদ উপস্থাপন কৰে।

وَاِذَا سَاَلَكَ عِبَادِیۡ عَنِّیۡ فَاِنِّیۡ قَرِیۡبٌ ؕ اُجِیۡبُ دَعۡوَۃَ الدَّاعِ اِذَا دَعَانِ ۙ فَلۡیَسۡتَجِیۡبُوۡا لِیۡ وَلۡیُؤۡمِنُوۡا بِیۡ لَعَلَّهُمۡ یَرۡشُدُوۡنَ

অৰ্থাৎঃ মোৰ বান্দা সকলে যেতিয়া তোমাক মোৰ বিষয়ে প্ৰশ্ন কৰে; তেতিয়া মই নিচেই কাষতে থাকো; মই দোৱা কৰোঁতাৰ দোৱাৰ উত্তৰ দিওঁ যেতিয়া সিহঁতে মোক মাতে। গতিকে সিহঁতে যেন মোৰ আহববানত সহাৰি জনায় আৰু মোৰ ওপৰত বিশ্বাস স্থাপন কৰে যাতে সিহঁতে হিদায়ত পায়।

উক্ত আয়াতৰ মাজত ৰোজা ধৰাৰ নিৰ্দেশ, তাৰ চৰ্ত আৰু ইয়াৰ সম্পৰ্কীয় নিৰ্দেশাৱলী উল্লেখ কৰি আল্লাহ তায়লা আমালোকক ৰমজান আৰু দোৱা গৃহীত হোৱাৰ বিশেষ সম্পৰ্কৰ ফালে মনযোগ আকৰ্ষণ কৰিছে। হজৰত খলিফাতুল মছিহ প্ৰথম (ৰাঃ) য়ে উক্ত বিষয়টো এনেদৰে বৰ্ণনা কৰিছে যে, ৰোজা যেনেকৈ তাকওয়া লাভৰ মাধ্যম তেনেকৈ আল্লাহ তায়লাৰ সান্নিধ্য লাভ কৰাৰও মাধ্যম। গতিকে ৰমজান মাহ কেৱল দোৱা গৃহীত হোৱাৰ বাবেই নহয়; যেতিয়ালৈকে তাকওয়া অৰ্জন কৰি তাকওয়া পূৰ্ণ জীৱণ অতিবাহিত কৰিবলৈ আৰু আল্লাহ তায়লাৰ নৈকট্য লাভৰ মাধ্যম বনাবলৈ চেষ্টা কৰা নহয় আৰু যেতিয়া এনেকুৱা অৱস্থাৰ জন্ম হ'ব, তেতিয়া আল্লাহ তায়লাৰ সৈতে ৰমজানত গঢ়ি উঠা সম্পৰ্ক কেৱল ৰমজান মাহলৈকে সীমাবদ্ধ নাথাকিব বৰং এটা স্থায়ী পৰিবৰ্তনৰ প্ৰভাৱ প্ৰকাশিত হৈ পৰিব। আল্লাহ তায়লা উক্ত আয়াতত উল্লেখ কৰিছে যে মই নিচেই কাষতে ৰৈ আছো। আঁহজৰত (ছাঃ) য়ে কৈছে যে; উক্ত মাহত চয়তানক শৃংখলিত কৰা হয় আৰু আল্লাহ তায়লা অতি ওচৰলৈ আহি যায় কিন্তু কেনেজনৰ কাষলৈ আহে ? সেই সকলৰ; যিসকলে আল্লাহ তায়লাৰ নৈকট্যক উপলব্ধি কৰে নাইবা উপলব্ধি কৰিব বিচাৰে। লগতে এই উদ্দেশ্যে আল্লাহ তায়লাৰ কথা মানি চলে। আল্লাহ তায়লাৰ আদেশ فلیستجیبوا لی- ৰ ওপৰত আমল কৰিবলৈ চেষ্টা কৰে আৰু আল্লাহ তায়লাৰ আদেশ সমূহ বিচাৰি উলিৱাই তাৰ ওপৰত আমল কৰিবলৈ সাজু হয়। উক্ত কথাৰ ওপৰত ঈমান আৰু বিশ্বাস ৰাখে যে খোদা তায়লা সকলো শক্তিৰ গৰাকী। যদি আমি তাৰ আদেশ সমূহৰ ওপৰত আমল কৰো, তাৰ প্ৰতি সুদ্ধিঢ় চিত্তে তাৰ পৰা কিবা বিচাৰো তেন্তে সি আমাৰ দোৱা নিশ্চয় শুনিব।

গতিকে যি সকলে কয় যে আমি দোৱা কৰো কিন্তু দোৱা কবুল নহয়, তেওঁলোকে ভাৱি চাওঁক যে কিমানদুৰ খোদা

তায়লাৰ আদেশৰ ওপৰত আমল কৰিছে ? যদি আমাৰ আমলৰ মোনা শূন্য, আমাৰ ঈমান কেৱল এটা পৰম্পৰা তেন্তে এইটো কোৱা ভুল যে আমি আল্লাহ তায়লাক মাতিছো কিন্তু আল্লাহ তায়লা শুনা নাই। হজৰত মছিহ মাওউদ (আঃ) য়ে এই বিষয়ে বৰ্ণনা কৰিবলৈ গৈ কৈছে যে; খোদা তায়লা কি চৰ্ত ৰাখিছে ? খোদা তায়লা কৈছে এয়া যে মানুহে এনেকুৱা বিধৰ তাকওয়া আৰু খোদা তায়লাৰ তৃষ্ণাৰ জন্ম দিব লাগিব যাতে মই সিহঁতৰ মাত শুনিবলৈ পাওঁ। তাকওয়াৰ জন্ম দিয়া, খোদা তায়লাক ভয় কৰা, তেতিয়া আল্লাহ তায়লা মাত নিশ্চয় শুনিব। দ্বিতীয় কথা হ'ল মোৰ ওপৰত কেনে ধৰণৰ বিশ্বাস স্থাপন কৰিছে ? এই কথাৰ ওপৰত বিশ্বাস যে আল্লাহ তায়লা বিৰাজমান আৰু সৰ্বোচ্চ শক্তিৰ গৰাকী। অদৃশ্য, অবৰ্তমানত বিশ্বাস অটুট থাকিলে আল্লাহ তায়লাৰ ফালৰ পৰা তাৰ এনেকুৱা পৰিচয় উপলব্দ হ'ব যাৰ দ্বাৰা খোদা তায়লাৰ অস্তিত্ব আৰু তাৰ মহাশক্তি আৰু দোৱাৰ উত্তৰ পোৱাৰ জ্ঞান লাভ হ'ব। প্ৰথমে মানুহ নিজৰ ঈমান দৃঢ় কৰিব লাগিব তেতিয়াহে আল্লাহ তায়লা আগবাঢ়ি আহিব লগতে প্ৰমাণ আদিও উপলব্দ হ'ব। দোৱা গৃহীত হোৱা, ইয়াৰ চৰ্ত আৰু নীতিদৰ্শনৰ ওপৰত হজৰত মছিহ মাওউদ (আঃ) য়ে স্পষ্ট ভাৱে বহল ব্যাখ্যা আগবঢ়াই থৈ গৈছে।

তেখেত (আঃ) য়ে কৈছে যে, সত্য কথা হ'ল এয়া যে যিজন ব্যক্তিয়ে নিজৰ আমল সঠিক ভাৱে আদায় নকৰে, তেওঁ দোৱাও নকৰে বৰং খোদা তায়লাক পৰীক্ষা কৰে। সেই বাবে দোৱাৰ দাৰস্থ হোৱাৰ আগতেই নিজৰ সৰ্বশক্তিৰে আমলত নিৰদ্ধ হ'ব লাগিব আৰু এয়াই হ'ল দোৱাৰ আচল অৰ্থ। প্ৰথমে প্ৰয়োজন হ'ল যে মানুহ নিজৰ বিশ্বাস আমলৰ জৰিয়তে প্ৰতিষ্ঠিত কৰা কাৰণ খোদা তায়লাৰ নীতি হ'ল যে সংশোধনৰ মাধ্যমৰ এটা সুনিৰ্দ্দিষ্ট পন্থা নিৰ্দ্ধাৰিত আছে। আল্লাহ তায়লা যি কোনো এটা এনেকুৱা বাটৰ সৃষ্টি কৰি দিয়ে যে সেয়া গৈ মানুহৰ সংশোধনৰ কাৰক হৈ পৰে। সেই সকল লোকে এই কৌশলটোৰ বিষয়ে অলপ চিন্তা কৰি চাওঁক যি সকলে কয় যে দোৱা পূৰণাৰ্থে এইবোৰ বস্তুৰনো কি প্ৰয়োজন আছে। এই লোক সকল হ'ল চৰম নিৰ্বোধ। চিন্তা কৰি চাওঁক দোৱা হ'ল এটা সুপ্ত উৎস, যি টোয়ে আন এটা বস্তুৰহে জন্ম দিয়ে। তেখেত (আঃ) য়ে কৈছে যে; **ইয়াকানাবুদু** শব্দৰ ফজিলত **ইয়াকানাছতাঈনৰ** ওপৰত যি দোৱাৰ শব্দ উচ্চাৰিত হয় সেই শব্দই এই বিষয়ে বিতং ব্যাখ্যা প্ৰকাশ কৰে। গতিকে আমি দেখিবলৈ পাই আছো যে আল্লাহ তায়লাৰ নীতি হ'ল তেওঁ পন্থা সমুহ সৃষ্টি কৰে। চোৱা ! পিয়াহ দুৰ কৰিবলৈ পানী আৰু ভোক পুৰাবলৈ খাদ্যৰ সৃষ্টি কৰে কিন্তু এইবোৰ সকলো বস্তুৰ জৰিয়তেহে কৰে। গতিকে বস্তুৰ সৃষ্টিৰ ছিলছিলা এনেদৰেই চলি আছে আৰু নতুন-নতুন বস্তুৰ জন্ম হৈ আছে। সেই বাবেই আল্লাহ তায়লাৰ দুটা নাম অৱধাৰিত **কানা আল্লাহু আজিজান হাকিমা**। **আজিজৰ** অৰ্থ হ'ল তেওঁ প্ৰত্যেক কাম কৰি দিয়ে আৰু হাকিমৰ অৰ্থ হ'ল তেওঁ সকলো কাম হিকমতৰ সৈতে সময় আৰু পৰিবেশ অনুযায়ী সমাধা কৰি দিয়ে। লক্ষ্য কৰি চোৱা, শাক-পাচলি, জড় বস্তুৰ মাজত বিভিন্ন ধৰণৰ গুনাৱলী সন্নিবিষ্ট কৰিছে। যেনেকৈ তৰবুধ একতোলা খালে পেট চলিবলৈ আৰম্ভ কৰে। আল্লাহ তায়লা এনেকুৱা ক্ষমতাওঁ ৰাখে যে এনেয়ে কাৰোবাৰ পেট চলা বেমাৰ হৈ যাব পাৰে। এটুপাল পানীৰে পিয়াহ দুৰ হৈ যাব পাৰে গতিকে বিস্ময়কৰ ক্ষমতাৰ ওপৰত জ্ঞান ৰখাও প্ৰয়োজন কাৰণ মানুহ যিমানেই আল্লাহ তায়লাৰ বিস্ময়পূৰ্ণ ক্ষমতা সম্পৰ্কে জ্ঞান অৰ্জন কৰিব সিমানেই আল্লাহ তায়লাৰ গুনাৱলীৰ খবৰ লাভ কৰি তাৰ নৈকট্য লাভৰ যোগ্য হৈ পৰিব।

তেখেত (আঃ) য়ে কৈছে যে; বিচৰাটো হ'ল মানুহৰ অভ্যাস। সেয়া পূৰ্ণ কৰা হ'ল আল্লাহ তায়লাৰ কাম। এই তত্ত্ব যিজনে বুজি নাপায় আৰু মানি নলয় তেওঁ হ'ল মিছলীয়া। ৰহমানিয়ত আৰু ৰহিমীয়ত দুটা পৃথক বস্তু নহয় গতিকে যিজনে এটাক এৰি আনটো বিচাৰে, তেওঁ সেয়া নাপায়। ৰহমানিয়তৰ মুলভাৰ হ'ল যে আল্লাহ তায়লা আমাৰ মাজত ৰহিমীয়তৰ কল্যাণ অৰ্জনাৰ্থে শক্তিৰ জন্ম দিয়ে। যিজনে এনেকুৱা নকৰে তেওঁ আল্লাহ তায়লাৰ নিয়ামতৰ অস্বীকাৰ কাৰী। এই খিনিয়েই হ'ল ইয়াকানাবদুৰ মৌলিক অৰ্থ যে আমি তোমাৰ ইবাদত কৰো সেই প্ৰকাশ্য বস্তু বাহানীৰ সহায়েৰে যিবোৰ তুমি আমাক দান কৰিছা, যেনেকৈ জিভা ৰস ( লেলাওটি) আৰু শিৰা সমুহৰ সৈতে সৃষ্টি কৰিছে। যদি এনেকুৱা নহলহেঁতেন তেন্তে আমি কথা কব নোৱাৰিলো হেঁতেন। লগতে উল্লেখ কৰে যে জিভা আমাক দোৱা কৰিবলৈ দান কৰিছে

যিয়ে হৃদয়ৰ কল্পনা প্ৰকাশ কৰিব পাৰে। যদি আমি কেতিয়াও দোৱা কৰাৰ কাম নকৰো তেন্তে এইটোৱে আমাৰ বিবেক নষ্ট কৰে। কিছুমান বেমাৰ এনেকুৱা আছে সেয়া যদি জিভাত সংক্ৰামিত হয় তেন্তে জিভা পংগু হৈ যায়। গতিকে এইটো কেনেকুৱা ৰহিমিয়ত যে আমাক জিভা দান কৰিছে। এনেকৈ কাণত যদি গণ্ডগোল হয় শুনিবলৈ পোৱা নাযায়, হৃদযন্ত্ৰৰও একেই অৱস্থা। বেমাৰত আক্ৰান্ত হলে সকলো শক্তি হেৰাই পেলায়। পাগলক লক্ষ্য কৰা, কেনেকৈ তাৰ সকলো মগজু শক্তি অকামিলা হৈ যায়। গতিকে আমাৰ এইটো কৰ্তব্য নহয় নে ? যে আমি খোদা প্ৰদত্ত নিয়ামতৰ সন্মান কৰো। যদি আমি সেই শক্তি সমুহ, যিবোৰ আল্লাহ তায়লা নিজৰ কৃপালু শক্তিৰে আমাক দান কৰিছে অবাবতে এৰি দিওঁ তেন্তে নিঃসন্দেহে আমি তাৰ নিয়ামতৰ অস্বীকাৰ কাৰী। গতিকে মনত ৰাখিব যে যদি নিজৰ শক্তি আৰু মনোবল এৰি পেলাই অলসভাবে দোৱা কৰো তেন্তে সেই দোৱা কামত নাহে কাৰণ আমি যিহেতু খোদাৰ দান সমুহক কামত লগোৱা নাই তেন্তে কেনেকৈ বেলেগক নিজৰ বাবে ফলদায়ক বনাব পাৰিম।

দোৱা এনেকুৱা এটা প্ৰশান্তিময় অৱস্থা, মোৰ আক্ষেপ যে মই কেনেকৈ সেয়া শব্দৰে বৰ্ণনা কৰি সেই সুধা আৰু আনন্দ পৃথিৱীক বুজাই দিওঁ। এয়া কেৱল উপলব্ধি হে কৰিব পাৰি। চমুকৈ কব পাৰি যে দোৱাৰ বাবে প্ৰয়োজনীয় বিষয় বস্তুৰ মাজত প্ৰথম হ’ল নেক আমল আৰু বিশ্বাস স্থাপন কাৰণ যিজনে নিজৰ বিশ্বাস দৃঢ় আৰু শুদ্ধ নকৰে আৰু নেক আমলৰ দ্বাৰা কাম নকৰে কিন্তু দোৱা কৰে তেওঁ যেনিবা খোদা তায়লাক পৰীক্ষা হে কৰে খোদা তায়লাৰ প্ৰকৃত প্ৰেমাস্পদ হ’বলৈ মানুহ কেনেকুৱা হ’ব লাগে যাৰ ফলস্বৰূপে খোদা তায়লা দোৱা শুনে আৰু নিজৰ নৈকট্য প্ৰদানৰ চিহ্ন প্ৰকাশ কৰে। এই বিষয়ে হজৰত মছিহ মাওউদ (আঃ) য়ে কয় যে; চৰ্ত হ’ল এয়া যে প্ৰেম আৰু একাগ্ৰতা খোদা তায়লাৰ সৈতে সৃষ্টি কৰা। খোদা তায়লাৰ প্ৰেম এনেকুৱা এটা বস্তু যিয়ে মানুহৰ মলিন জীৱণক জ্বলাই ৰাস কৰি এটা নতুন আৰু পৱিত্ৰ মানুহ বনাই দিয়ে। তেতিয়া তেওঁ সেইবোৰ বস্তু দেখিবলৈ পায় যিবোৰ আগতে দেখিবলৈ পোৱা নাছিল আৰু সেইবোৰ শুনিবলৈ পায় যিবোৰ আগতে শুনা নাছিল। গতিকে খোদা তায়লা যিবোৰ দয়া আৰু কৃপাৰ অমৃত খাদ্য মানুহৰ বাবে তৈয়াৰ কৰিছে সেয়া অৰ্জন কৰিবলৈ মানুহক শক্তিও দান কৰিছে। যদি আমি সেইবোৰ ব্যাৱহাৰ নকৰো আৰু খোদা তায়লাৰ ফালে আগবাঢ়ি নাযাওঁ তেন্তে সেয়া কিমান যে আলস্য আৰু অশলাগী বিষয়।

আল্লাহ তায়লাৰ মাৰিফত (ৰোহানী ৰহস্য) অৰ্জনৰ উপায় কি ? এই সম্পৰ্কে বৰ্ণনা কৰিবলৈ গৈ তেখেত (আঃ) যে কৈছে যে; সঁচা কথা এয়া যে, خُلِقَ الْإِنْسَانُ ضَعِيْفًا - মানুহক দুৰ্বল প্ৰাণী হিচাপে সৃষ্টি কৰা হৈছে। ইহঁত আল্লাহ তায়লাৰ কৃপা অবিহনে একোৱে কৰিব নোৱাৰে। ইয়াৰ অস্তিত্ব আৰু ইয়াৰ লালন পালন আৰু জীৱন ধাৰনৰ সকলো বস্তু আল্লাহ তায়লাৰ দয়াৰ অন্তৰ্ভুক্ত। নিৰ্বোধ হ’ল সেইজন মানুহ যিজন নিজৰ বিবেক বুদ্ধি, ধন সম্পত্তিৰ গৌৰৱ কৰে, কাৰণ এইবোৰ আল্লাহ তায়লাৰ হে দান। দোৱাৰ বাবে আৰু এটা বস্তুৰ প্ৰয়োজন সেয়া হ’ল মানুহ সদায় মনত ৰাখিব লাগিব যে তেওঁ অতিকৈ দুৰ্বল। তেওঁ যিমানেই নিজৰ দুৰ্বলতা সম্পৰ্কে চিন্তা কৰিব সিমানেই নিজকে নিজে আল্লাহ তায়লাৰ সহায়ৰ ওপৰত নিৰ্ভৰ শীল অনুভৱ কৰিব। যাৰ ফলস্বৰূপে তাৰ হৃদয়ত দোৱাৰ বাবে আগ্ৰহ আৰু আবেগৰ জন্ম হ’ব। তেখেত (আঃ) য়ে কৈছে যে; মানুহ যেতিয়া বিপদ গ্ৰস্থ হয় নাইবা দুখৰ কবলত পৰে তেতিয়া বেদনাক্লিষ্ট হৈ চিঞৰি আনৰ সহায় ভিক্ষা কৰে। এনেদৰে যদি তেওঁ নিজৰ দুৰ্বলতা আৰু গোনাহ সমুহৰ ওপৰত চিন্তা কৰে আৰু সকলো বিষয়তে আল্লাহ তায়লাৰ সহায়ৰ প্ৰয়োজন অনুভৱ কৰে তেন্তে তাৰ আত্মাই আৱেগত আপ্লুত হৈ আলুহিয়তৰ আস্তানত ইয়া ৰ’ব, ইয়া ৰ’ব বুলি চিঞৰি উঠিব।

হুযুৰ আনোৱাৰ (আইঃ) য়ে কয় যে; আমাৰ আটাইতকৈ ডাঙৰ কৰ্তব্য হ’ল ধৰ্ম ৰক্ষাৰ্থে দোৱা কৰা। যদি মানুহে এয়া কৰে তেন্তে আল্লাহ তায়লাৰ সান্নিধ্য লাভৰ দুৱাৰ উন্মোক্ত হ’ব আৰু বাকী দোৱা সমুহ আপুনা আপোনি গৃহীত হ’বলৈ ধৰিব। আল্লাহ তায়লা নিজৰ সান্নিধ্য আৰু দোৱা গৃহীত হোৱাৰ বাবে যি বাটৰ সন্ধান দিছে তাৰ মাজত আটাইতকৈ উৎকৃষ্ট বাট হ’ল নমাজ। এই বিষয়ে হজৰত মছিহ মাওউদ (আঃ) য়ে কৈছে যে; নমাজৰ আচল উদ্দেশ্য আৰু মুলভাৱ হ’ল দোৱা।

দোৰা ভিক্ষা কৰা আল্লাহ্ তায়লাৰ আইনৰ দ্বাৰা অনুমোদিত পন্থা। উদাহৰণ স্বৰূপে আমি দেখিবলৈ পাওঁ যে, যেতিয়া কেছুৰাই কান্দিবলৈ আৰম্ভ কৰে মাকে তেতিয়া ব্যকুলতাৰে আগবাঢ়ি আহি কেছুৰাক পিয়াহ খুৱায়। আলুহিয়ত আৰু ইবাদতৰ মাজত এনেকুৰাই এটা সম্পৰ্ক বিৰাজিত যিটো সকলোৱে বুজি পায়। যেতিয়া মানুহ আল্লাহ্ তায়লাৰ দুৱাৰ দলিত গৈ উপস্থিত হয় আৰু বিনম্ৰ চিত্তে আকুতি মিনতিৰে তাৰ ওচৰত নিজৰ অৱস্থা নিবেদন কৰে আৰু আল্লাহ্ তায়লাৰ ওচৰত নিজৰ প্ৰয়োজনীয়তা দুৰীকৰনাৰ্থে কামনা কৰে তেতিয়া আলুহিয়তৰ দয়াৰ সাগৰ উথলি উঠে আৰু এনে বান্দাৰ ওপৰত ৰহমত প্ৰদান কৰে। আল্লাহ্ তায়লাৰ কৃপা আৰু দয়াৰ গাখীৰেও এটা আকুতি বিচাৰে। আল্লাহ্ তায়লাৰ দয়াৰ গাখীৰ পান কৰিবলৈ হ'লে, তাৰ দয়া আৰু কৃপাৰে কল্যাণ বিচাৰিব লাগিলে বিনয়ী আৰু নিস্বঃ হৈ হৃদয় উজাৰি কন্দাৰ প্ৰয়োজন আছে। তেখেত (আঃ) য়ে কৈছে যে; এই ক্ষেত্ৰত আল্লাহ্ তায়লাৰ ওচৰত চকুলো বিশিষ্ট নিবেদন কৰা উচিত।

হজৰত মছিহ মাওউদ (আঃ) য়ে সেই সময়ত যি দোৱা কৰিছিল সেয়া হুযুৰ আনোৱাৰ (আইঃ) য়ে উল্লেখ কৰি কয় যে; আজিৰ দিনত সেই দোৱা আমি কৰা উচিত যাতে আল্লাহ্ তায়লাৰ সন্নিধ্য লাভ কৰিব পৰা যায়। তেখেত (আঃ) য়ে এই দোৱা কৰিছিল যে এই বিশ্বব্ৰহ্মাণ্ডৰ পালনকৰ্ত্তা তোমাৰ শুকৰিয়া শেষ কৰিব নোৱাৰি। তুমি চৰম বিন্দুৰ দয়াবান আৰু কৃপালু আৰু তুমি মোৰ ওপৰত সীমাহীন দয়া কৰিছে, মোৰ গোনাহ সমুহ ক্ষমা কৰা যাতে মই ধংসৰ গ্ৰাসত পৰি নাযাওঁ। মোৰ হৃদয়ত তোমাৰ প্ৰেম গোঁঠি দিয়া যাতে মোৰ জীৱন সাৰ্থক হয়, আৰু মোক ৰক্ষনাবেক্ষন কৰা আৰু মোৰ দ্বাৰা এনে আমল কৰোৱা যাৰ ওপৰত তুমি সন্তোষ্ট হোৱা, মই তোমাৰ কৃপাৰে সৈতে এই বিষয়ে আশ্ৰয় বিচাৰো যাতে তোমাৰ ক্ৰোধ মোৰ ওপৰত বৰ্ষিত নহয়। তোমাৰ দয়াৰে মোক ইহঁ-জগত আৰু পৰ-জগতৰ বিপদ সমুহৰ পৰা ৰক্ষা কৰা সকলো ধৰণৰ ফজল আৰু কৰম তোমাৰ হাতৰ মুঠিত আছে। আমিন

আল্লাহ তায়লা আমালোকক দোৱাৰ মুল অৰ্থ বুজিবলৈ সামৰ্থ দান কৰক। উক্ত ৰমজানে আমালোকক সেই সকল লোকৰ শাৰীত অন্তৰ্ভুক্ত কৰি চিৰস্থায়ী হিচাপে প্ৰতিষ্ঠিত ৰাখক, যি সকলে খোদা তায়লাৰ ওপৰত অটুট বিশ্বাস স্থাপন কৰিছে। যি সকলে আল্লাহ তায়লাৰ আদেশ সমুহ শুনে আৰু তাৰ আমল কৰে আৰু নিজৰ সকলো বিষয়ৰ ওপৰত আল্লাহ তায়লাৰ সন্তোষ্টিক প্ৰধান্য দিয়ে। আমাৰ আমল একমাত্ৰ আল্লাহ তায়লাৰ সন্তোষ্টি অনুসৰি সম্পাদিত হওঁক। লগতে আমালোকৰ বিশ্বাসত আগতকৈ বেছি দৃঢ়তাৰ জন্ম হওঁক। আমাৰ হৃদয় সমুহত আল্লাহ তায়লাৰ প্ৰতি ভালপোৱায় জন্ম লাভ কৰক। আল্লাহ তায়লা আমালোকক ইহঁ-জগত আৰু পৰ-জগতৰ বিপদ সমুহৰ পৰা ৰক্ষা কৰক। আমিন

......☆......☆......☆......☆......

**Assamese Khulasa Khutba Jumma Huzoor Anwar 17th June 2016**

**BOOK POST (PRINTED MATTER)**

**To**

______________________________

______________________________

______________________________

**From: Ahmadiyya Circle Office, Abhayapuri M.G.Road W/N- IV Bongaigaon Assam 783384. # 9864337890**